ভাৰত চৰকাৰ
বিধি, ন্যায় আৰু কোম্পানী কাৰ্য্য মন্ত্ৰালয়

GOVT. OF ASSAM * Law. Legislative Deptt. Library

# সমিতি পঞ্জীয়ন অধিনিয়ম, ১৮৬০

( ১৮৬০ চনৰ ২১ নং অধিনিয়ম )

[ ২৫ নবেম্বৰ, ১৯৯২ তাৰিখে যথাবিদ্যমান ]

# The Societies Registration Act, 1860

( Act No. 21 of 1860 )

[ As on the 25th November, 1992 ]

ভাৰত চৰকাৰৰ হকে, অসম চৰকাৰ ( বিধান বিভাগ ) ৰ দ্বাৰা প্ৰকাশিত আৰু
অসম চৰকাৰী ছপাশালত মুদ্ৰিত, গুৱাহাটী - ২১

# পাতনি

২৫ নৱেম্বৰ, ১৯৯২ তাৰিখে যথাবিদ্যমান সমিতি পঞ্জীয়ন অধিনিয়ম, ১৮৬০ (১৮৬০ চনৰ ২১ নং)ৰ এই সংস্কৰণত এই অধিনিয়মৰ অসমীয়াত প্ৰাধিকৃত পাঠ আছে যি ১৯।৪।১৯৯৩ তাৰিখৰ ভাৰতৰ ৰাজপত্ৰ, অসাধাৰণ, ভাগ-৬, অনুভাগ ১, নং ১, খণ্ড ২, পৃষ্ঠা ৫৩ - ৫৯ ত প্ৰকাশিত হৈছিল।

প্ৰাধিকৃত পাঠ (কেন্দ্ৰীয় বিধি) অধিনিয়ম, ১৯৭৩ৰ ধাৰা ২ৰ খণ্ড (ক)ৰ অধীনত ৰাষ্ট্ৰপতিৰ প্ৰাধিকাৰাধীনে এই প্ৰাধিকৃত পাঠ প্ৰকাশ কৰা হৈছিল আৰু এনেদৰে প্ৰকাশ হোৱাত ই অসমীয়াত এই অধিনিয়মৰ প্ৰাধিকৃত পাঠ ৰূপে গণ্য হ'ব।

# PREFACE

This edition of The Societies Registration Act, 1860 (21 of 1860) as on the 25th November, 1992 contains the authoritative text of that Act in Assamese which was published in the Gazette of India, Extraordinary, part VI, Section 1, No. 1, Vol. 2, dated 19th April, 1993, on page 53 - 59.

This authoritative text was published under the authority of the President under section 2, clause (a) of the Authoritative text (Central Laws) Act, 1973 and on such publication it became the authoritative text of that Act in Assamese.

New Delhi

Date :- 10.5.1993

P. Pramila Reddy,
Additional Legislative Counsel.

## সংশোধনী অধিনিয়ম আৰু অনুকূলন আদেশ সূচী

১। নিৰসন অধিনিয়ম, ১৮৭৪ ( ১৮৭৪ ৰ ১৬ )।

২। ভাৰতীয় সংক্ষিপ্ত নাম অধিনিয়ম, ১৮৯৭ ( ১৮৯৭ ৰ ১৪ )।

৩। সমিতি পঞ্জীয়ন (সংশোধন) অধিনিয়ম, ১৯২৭ ( ১৯২৭ ৰ ২২ )।

৪। ভাৰত চৰকাৰ (ভাৰতীয় বিধি অনুকূলন) আদেশ, ১৯৩৭ ।

৫। বিধি অনুকূলন আদেশ, ১৯৫০ ।

## সমিতি পঞ্জীয়ন অধিনিয়ম, ১৮৬০

### ধাৰা সমূহৰ ক্ৰম

ধাৰা সমূহ -

প্ৰস্তাবনা

১। সংঘৰ স্মাৰক পত্ৰ আৰু পঞ্জীয়নৰ দ্বাৰা গঠিত হোৱা সমিতি সমূহ।

২। সংঘৰ স্মাৰক পত্ৰ।

৩। পঞ্জীয়ন আৰু মাচুল।

৪। পৰিচালনা নিকায়ৰ দাখিল কৰিবলগীয়া বাৰ্ষিক তালিকা।

৫। সমিতিৰ সম্পত্তি কি দৰে নিহিত হব।

৬। সমিতি সমূহৰ দ্বাৰা বা সমিতি সমূহৰ বিৰুদ্ধে বাদ।

৭। বাদ উপশমন নহব।

৮। সমিতি সমূহৰ বিৰুদ্ধে নিৰ্ণয় বলবৎকৰণ।

৯। উপবিধিৰ অধীনত প্ৰোদ্ভূত দণ্ড আদায়।

১০। সদস্য সকল অন্য ব্যক্তিৰ দৰে বিচাৰিত হোৱাৰ বাবে দায়ী হব।

১১। অপৰাধত দোষী সদস্য অন্য ব্যক্তিৰ দৰে দণ্ডনীয় হব।

১২। সমিতি সমূহক নিজৰ উদ্দেশ্য সমূহ পৰিবৰ্ত্তন, বিস্তাৰণ বা সঙ্কোচন কৰিবলৈ সমৰ্থ কৰা।

১৩। সমিতি সমূহ ভঙ্গ কৰিবৰ বাবে আৰু ইয়াৰ কাম কাজৰ সমাযোজনৰ উপবন্ধ।

১৪। ভঙ্গ হলে কোনো সদস্যই লাভ নাপাব।

১৫। সদস্যৰ পৰিভাষা।

১৬। প্ৰশাসন নিকায়ৰ পৰিভাষা।

১৭। এই অধিনিয়মৰ পূৰ্বে গঠিত হোৱা সমিতিৰ পঞ্জীয়ন।

১৮। তেনে সমিতি সমূহে স্মাৰক পত্ৰ আদি যৌথ সম্ভাৰ কোম্পানীৰ পঞ্জীয়কৰ ওচৰত দাখিল কৰিব।

১৯। দস্তাবেজ নিৰীক্ষণ।

২০। অধিনিয়ম কোন সমিতি সমূহত প্ৰযোজ্য হব।

# সমিতি পঞ্জীয়ন অধিনিয়ম, ১৮৬০ [১]

( ১৮৬০ ৰ ২১ ) [২]

[ ২৫ নবেম্বৰ, ১৯৯২ তাৰিখে যথা বিদ্যমান ]

[ ২১ মে, ১৮৬০ ]

সাহিত্যিক, বৈজ্ঞানিক আৰু দাতব্য সমিতি সমূহৰ পঞ্জীয়নৰ বাবে এখনি অধিনিয়ম ।

---

১। ১৮৯৭ চনৰ ১৪ নং অধিনিয়মৰ ধাৰা ২ আৰু অনুসূচীৰ দ্বাৰা দিয়া সংক্ষিপ্ত নাম ।

২। এই অধিনিয়ম (প্ৰথম চাৰিটা ধাৰাৰ ব্যতিক্ৰম সহ) সাহিত্যিক আৰু বৈজ্ঞানিক অনুষ্ঠান অধিনিয়ম, ১৮৫৪ (১৭ আৰু ১৮ ভিকটোৰিয়া, অধ্যায় ১১২)ৰ ধাৰা ২০, আৰু ইয়াৰ পৰবৰ্ত্তী শব্দবোৰ তথা পৃষ্ঠাবোৰৰ ওপৰত আধাৰিত কৰা হৈছে ।

অনুসূচিত জিলাবোৰৰ বাহিৰে স্থানীয় বিধিৰ বিস্তাৰ অধিনিয়ম, ১৮৭৪ (১৮৭৪ ৰ ১৫)ৰ ধাৰা ৩ৰ দ্বাৰা ই সমগ্ৰ ভাৰতত বলবৎ হব বুলি ঘোষণা কৰা হৈছে ।

১৯৪৯ ৰ অধিনিয়ম নং ৫৯ৰ দ্বাৰা ইয়াক নতুন ৰাজ্যসমূহলৈ, আৰু বিলীন হোৱা ৰাজ্য সমূহলৈ বিস্তাৰিত কৰা হৈছে ।

অনুসূচিত জিলা অধিনিয়ম, ১৮৭৪ (১৮৭৪ৰ ১৪)ৰ ধাৰা ৩কৰ অধীনত অধিসূচনা দ্বাৰা নিম্নোক্ত অনুসূচিত জিলাবোৰত বলবৎ হব বুলি ঘোষণা কৰা হৈছে, অৰ্থাৎ -

| | |
|---|---|
| পশ্চিম জলপাইগুৰি ———— | ভাৰতৰ ৰাজপত্ৰত ১৮৮১, ভাগ ১ পৃঃ ৭৪ দ্ৰষ্টব্য । |
| হাজৰিবাগ আৰু লোহাৰদোগা জিলা, ( বৰ্ত্তমান ৰাঁচি জিলাত কলিকতা ৰাজপত্ৰ ১৮৯৯, ভাগ ১, পৃষ্ঠা ৪৪ ) দ্ৰষ্টব্য আৰু মানভূম আৰু পৰগণা দালভূম, আৰু সিংভূম জিলাৰ কোলহান । | ভাৰতৰ ৰাজপত্ৰত, ১৮৮১ ভাগ ১, পৃষ্ঠা ৫০৪ দ্ৰষ্টব্য । |
| মিৰ্জাপুৰ জিলাৰ অনুসূচিত অংশ ———— | ভাৰতৰ ৰাজপত্ৰত ১৮৭৯ ভাগ ১, পৃষ্ঠা ৩৮৩ দ্ৰষ্টব্য । |
| যৌনচৰ বাবাৰ ———— | ভাৰতৰ ৰাজপত্ৰত ১৮৭৯ ভাগ ১, পৃষ্ঠা ৩০২ দ্ৰষ্টব্য । |
| গঞ্জম আৰু ভিশাখাপট্টমৰ অনুসূচিত জিলা ———— | ভাৰতৰ ৰাজপত্ৰত ১৮৯৮ ভাগ ১, পৃষ্ঠা ৮৭০ দ্ৰষ্টব্য । |
| অসম ( উত্তৰ লুচাই পাহাৰ বাদে ) ———— | ভাৰতৰ ৰাজপত্ৰ, ১৮৯৭ ভাগ ১, পৃষ্ঠা ২৯৯ দ্ৰষ্টব্য । |

ইয়াক, শেষত উল্লেখ কৰা অধিনিয়মৰ ধাৰা ৫ ৰ অধীনত নিম্নোক্ত অনুসূচিত জিলা সমূহলৈ অধিসূচনাৰ দ্বাৰা বিস্তাৰিত কৰা হৈছে, অৰ্থাৎ :-

| | |
|---|---|
| কুমায়ুন আৰু গাৰোৱাল ———— | ভাৰতৰ ৰাজপত্ৰ, ১৮৭৬, ভাগ ১, পৃষ্ঠা ৬০৬ দ্ৰষ্টব্য । |
| আজমীৰ আৰু মাৰোৱাৰ ———— | ভাৰতৰ ৰাজপত্ৰ, ১৮৭৮ ভাগ ১, পৃষ্ঠা ৩৮০ দ্ৰষ্টব্য । |

সেই একে অধিনিয়মৰে ধাৰা ৩ (খ) ৰ অধীনত অধিসূচনাৰ দ্বাৰা লাহোৱালৰ অনুসূচিত জিলাত বলবৎ নকৰিবলৈ ঘোষণা কৰা হৈছে :- ভাৰতৰ ৰাজপত্ৰ, ১৮৮৬ ভাগ ১, পৃষ্ঠা ৩০১ দ্ৰষ্টব্য ।

ইয়াক গোৱা-দমন আৰু ডিউলৈ, সংশোধন সহ ১৯৬২ চনৰ বিনিয়ম নং ১২, ধাৰা ৩ আৰু অনুসূচীৰ দ্বাৰা দাদ্ৰা আৰু নগৰ হাভেলীত, ১৯৬৩ চনৰ বিনিয়ম নং ৬ৰ ধাৰা ২ৰ অনুসূচী ১ৰ দ্বাৰা আৰু লাক্কাদ্বীপ মিনিকয় আৰু আমিন দিভি দ্বীপ সমূহত ১৯৬৫ চনৰ বিনিয়ম নং ৮ৰ ধাৰা ৩ আৰু অনুসূচীৰ দ্বাৰা বিস্তাৰিত কৰা হৈছে ।

ই পণ্ডিচেৰীত ইংৰাজী ১।১০।৬৩ তাৰিখৰ পৰা বলবৎ হৈছে, ১৯৬৩ চনৰ বিনিয়ম ৭ ধাৰা ৩ আৰু অনুসূচী ১ দ্ৰষ্টব্য ।

**প্ৰস্তাৱনা ।**

যিহেতু সাহিত্য, বিজ্ঞান বা সুকুমাৰ কলা, বা উপযোগী জ্ঞানৰ প্ৰসাৰ [৩] ( ৰাজনৈতিক শিক্ষা প্ৰসাৰ ) বা দাতব্য উদ্দেশ্যে প্ৰতিষ্ঠিত সমিতি সমূহৰ বিধিক পৰিস্থিতিৰ উন্নতিৰ অৰ্থে উপবন্ধ কৰাটো সমীচীন ;

গতিকে নিম্নোক্ত ধৰণে ইয়াক অধিনিয়মিত কৰা হ'ল ।

**সংঘৰ স্মাৰক আৰু পঞ্জীয়নৰ দ্বাৰা গঠিত হোৱা সমিতি সমূহ ।**

১। যি কোনো সাত জন বা ততোধিক ব্যক্তিয়ে সাহিত্য, বিজ্ঞান বা দাতব্য উদ্দেশ্যে বা এই অধিনিয়মৰ ২০ ধাৰাত উল্লেখ কৰা মতে এনে যি কোনো উদ্দেশ্যত একেযোগ হৈ সংঘৰ স্মাৰক পত্ৰত নাম চহী কৰি যৌথ সম্ভাৰ কোম্পানীৰ [৪] x x x পঞ্জীয়কৰ ওচৰত দাখিল কৰি এই অধিনিয়মৰ অধীনত নিজকে নিজে এখন সমিতি গঠন কৰিব পাৰিব ।

---

ইয়াক নিম্নোক্তবোৰত সংশোধিত কৰা হৈছে -

চি পি আৰু বেৰাৰত - ১৯৪০ চনৰ চিপি আৰু বেৰাৰ অধিনিয়ম, ৩ৰ দ্বাৰা ;

অসমত, ১৯৪৮ চনৰ অসম অধিনিয়ম, ১৪, ১৯৪৮ চনৰ ১৫, ১৯৫২ চনৰ ১১, ১৯৫৭ চনৰ ৭, ১৯৫৮ চনৰ ১১ আৰু ১৯৬৭ চনৰ ৩১ৰ দ্বাৰা ;

বিহাৰত, বিহাৰ অধিনিয়ম, ১৯৪৮ চনৰ ৩০, ১৯৫১ চনৰ ৪, আৰু ১৯৬০ চনৰ ২ৰ দ্বাৰা ;

পঞ্জাবত, পূব পঞ্জাব অধিনিয়ম, ১৯৪৮ চনৰ ৩২, আৰু ১৯৪৯ চনৰ ৬ আৰু পঞ্জাব অধিনিয়ম, ১৯৫৭ চনৰ ৩১ আৰু ১৯৬১ চনৰ ২১ৰ দ্বাৰা ;

অন্ধ্ৰত, ৰাষ্ট্ৰপতিৰ অধিনিয়ম, ১৯৫৪ চনৰ ১০ অধিনিয়মৰ দ্বাৰা ;

উত্তৰ প্ৰদেশত, উত্তৰ প্ৰদেশ অধিনিয়ম, ১৯৫৮ চনৰ ২৫ অধিনিয়মৰ দ্বাৰা ;

উৰিষ্যাত, উৰিষ্যা অধিনিয়ম, ১৯৫৮ চনৰ ২১, আৰু ১৯৬৯ চনৰ ৮ৰ দ্বাৰা ;

বোম্বাইত, বোম্বাই অধিনিয়ম, ১৯১২ চনৰ ২ আৰু ১৯৫৮ চনৰ ৭৬ আৰু মহাৰাষ্ট্ৰ অধিনিয়ম, ১৯৬৮ চনৰ ১১ৰ দ্বাৰা ;

মাদ্ৰাজত, মাদ্ৰাজ অধিনিয়ম, ১৯৬০ ৰ ৯ ৰ দ্বাৰা ;

পণ্ডিচেৰীত ১৯৬৯ চনৰ পণ্ডিচেৰী অধিনিয়ম, ৯ ৰ দ্বাৰা ;

১৯৫৫ চনৰ মহীশূৰ অধিনিয়ম, ১৪ ৰ দ্বাৰা বেলেৰী জিলাত, মহাকোশল, বিন্ধ্য প্ৰদেশ আৰু মধ্য প্ৰদেশৰ ভূপাল অঞ্চলত মধ্য প্ৰদেশ অধিনিয়ম ১৯৬০ চনৰ অধিনিয়ম ১ ৰ দ্বাৰা ; মহীশূৰ অধিনিয়ম, ১৯৬০ ৰ ১৭ ৰ দ্বাৰা মহীশূৰ জিলাত ; পশ্চিমবঙ্গত, পশ্চিমবঙ্গ অধিনিয়ম, ১৯৬১ চনৰ ২৬ অধিনিয়মৰ দ্বাৰা প্ৰয়োগকৰণৰ ক্ষেত্ৰত ইয়াক নিৰসন কৰা হৈছে ।

৩। ১৯২৭ চনৰ অধিনিয়ম ২২ ৰ ধাৰা ২ ৰ দ্বাৰা অন্তঃস্থাপিত ।
৪। "১৮৫৭ চনৰ অধিনিয়ম ১৯ ৰ অধীনত" শব্দাবলী আৰু সংখ্যা সমূহ ১৮৭৪ চনৰ অধিনিয়ম ১৬ ৰ ধাৰা ১ আৰু অনুসূচী, ভাগ ১ ৰ দ্বাৰা নিৰসিত কৰা হৈছে । বৰ্ত্তমানে কোম্পানী অধিনিয়ম ১৯৫৬ (১৯৫৬ ৰ ১) দ্ৰষ্টব্য

**সংঘৰ স্মাৰক পত্ৰ ।** ২। নিম্নোক্ত তথ্য সমূহ সংঘৰ স্মাৰক পত্ৰত উল্লেখ থাকিব যেনে , -

সমিতিৰ নাম ;
সমিতিখনৰ উদ্দেশ্য সমূহ ;

প্ৰশাসক, পৰিষদ, নিৰ্দ্দেশক, কমিটি বা অন্য প্ৰশাসন নিকায়, যাৰ ওপৰত সমিতিৰ নিয়মাবলী অনুসৰি ইয়াৰ কাম-কাজৰ পৰিচালনাৰ ভাৰ ন্যস্ত কৰা হৈছে সেই বিলাকৰ নাম, ঠিকনা আৰু পেশা ।

সংঘৰ স্মাৰক পত্ৰৰ সৈতে প্ৰশাসন নিকায়ৰ অন্যূন তিনি জন সদস্যই সত্য প্ৰতিলিপি বুলি প্ৰমাণিত কৰা সমিতিৰ নিয়মাবলীৰ আৰু বিনিয়মাবলীৰ এটা প্ৰতিলিপি দাখিল কৰিব ।

**পঞ্জীয়ন আৰু মাচুল ।** ৩। তেনেদৰে স্মাৰক পত্ৰ আৰু প্ৰমাণিত প্ৰতিলিপি দাখিল কৰা হলে পঞ্জীয়কে নিজ হাতেৰে এইদৰে প্ৰমাণিত কৰিব যে এই সমিতিখন এই অধিনিয়মৰ অধীনত পঞ্জীয়ন কৰা হ'ল । তেনে প্ৰত্যেক পঞ্জীয়নৰ বাবদ পঞ্জীয়কক পঞ্চাশ টকা মাচুল বা তেনে কম পৰিমাণৰ মাচুল যি [৫] [ৰাজ্য চৰকাৰে] সময়ে সময়ে নিৰ্দ্দিষ্ট কৰে, জমা দিব লাগিব ; আৰু তেনেকৈ আদায় দিয়া সকলো মাচুলৰ হিচাপ [৬] [ ৰাজ্য চৰকাৰ ] ক দিয়া হব ।

**পৰিচালনা নিকায়ৰ দাখিল কৰিবলগীয়া বাৰ্ষিক তালিকা ।** ৪। সমিতিৰ নিয়মাবলী অনুসৰি যিদিনা সমিতিৰ বছেৰেকীয়া সাধাৰণ সভা বহে তাৰ পৰবৰ্ত্তী চতুৰ্দশ দিনত বা তাৰ পূৰ্বে প্ৰতি বছৰে এবাৰকৈ, বা যদি নিয়মাবলী অনুসৰি বছৰেকীয়া সাধাৰণ সভাখন পতাৰ কোনো উপবন্ধ কৰা নাই তেনে স্থলত জানুৱাৰী মাহত যৌথ সম্ভাৰ কোম্পানীৰ পঞ্জীয়কক এখন তালিকা দাখিল কৰিব যত প্ৰশাসক, পৰিষদ, নিৰ্দ্দেশক, কমিটি বা অন্য প্ৰশাসন নিকায় যাৰ ওপৰত সমিতিৰ কাম-কাজৰ পৰিচালনাৰ ভাৰ সেই সময়ত ন্যস্ত কৰা হৈছে সেই বিলাকৰ নাম, ঠিকনা আৰু পেশা অন্তৰ্বিষ্ট থাকিব ।

**সমিতিৰ সম্পত্তি কি দৰে নিহিত হব ।** ৫। এই অধিনিয়মৰ অধীনত পঞ্জীভুক্ত সমিতিৰ স্থাবৰ বা অস্থাবৰ সম্পত্তি, যদিহে কোনো ন্যাসীক নিহিত কৰা নাথাকে, তেতিয়া সম্পত্তি তেনে সমিতিৰ প্ৰশাসন নিকায়ত তৎসময় নিহিত বুলি গণ্য কৰা হব, আৰু সকলো চিভিল আৰু দাণ্ডিক কাৰ্য্যবাহীত তেনে সমিতিৰ প্ৰশাসন নিকায়ক, ইয়াক যথোপযুক্ত নামেৰে, সম্পত্তি হিচাবে বৰ্ণনা কৰিব পাৰিব ।

**সমিতি সমূহৰ দ্বাৰা বা সমিতি সমূহৰ বিৰুদ্ধে বাদ ।** ৬। এই অধিনিয়মৰ অধীনত পঞ্জীভুক্ত প্ৰত্যেক সমিতিয়ে সভাপতি, চেয়াৰমেন, বা প্ৰধান সম্পাদক বা ন্যাসীৰ নামত তেনে সমিতিৰ নিয়মাবলী আৰু বিনিয়মাবলীৰ দ্বাৰা অৱধাৰিত কৰিব পৰা মতে আৰু এনে অৱধাৰণৰ অন্যাথাই প্ৰশাসন নিকায়ৰ দ্বাৰা এই উদ্দেশ্যে নিযুক্ত তেনে ব্যক্তিৰ নামত বাদ তৰিব বা ইয়াৰ ওপৰত বাদ আনিব পাৰিব ঃ

পৰন্তু সমিতিৰ বিৰুদ্ধে কোনো দাবী বা অভিযাচন থকা যিকোনো ব্যক্তিয়ে ইয়াৰ সভাপতি, বা চেয়াৰমেন, বা প্ৰধান সম্পাদক বা ন্যাসীৰ বিৰুদ্ধে বাদ তৰিবলৈ সক্ষম হব যদিহে প্ৰশাসন নিকায়ক আবেদন কৰাত অন্য কোনো পদাধিকাৰী বা ব্যক্তিক বিবাদী ৰূপে মনোনীত কৰা নহয় ।

---

৫। একাদিক্ৰমে ১৯৩৭ চনৰ অনুকূলন আদেশ আৰু ১৯৫০ চনৰ অনুকূলন আদেশৰ দ্বাৰা - "ভাৰতৰ সপৰিষদ গৱৰ্নৰ জেনেৰেল" ৰ বাবে প্ৰতিষ্ঠাপিত ।

৬। "চৰকাৰ" ৰ বাবে উপৰোক্তৰ দ্বাৰা প্ৰতিষ্ঠাপিত ।

**বাদ উপশমন নহব ।**

৭। কোনো চিভিল ন্যায়ালয়ত কোনো ব্যক্তিৰ, যাৰ দ্বাৰা বা বিৰুদ্ধে তেনে বাদ বা কাৰ্য্যবাহী অনা হ'লহেতেন বা চলি থাকিলেহেতেন, মৃত্যু হলে বা তেওঁৰ নামত বাদ তৰা হোৱা বা তেওঁৰ বিৰুদ্ধে তৰিব পৰা হোৱা সামৰ্থ্যৰ অৱসান হলে কোনো বাদ বা কাৰ্য্যবাহীৰ উপশমন বা বন্ধ নহব, কিন্তু একে বাদ বা কাৰ্য্যবাহী তেনে ব্যক্তিৰ উত্তৰাধিকাৰীৰ নামত বা তেওঁৰ বিৰুদ্ধে চলি থাকিব ।

**সমিতি সমূহৰ বিৰুদ্ধে নিৰ্ণয় বলবৎকৰণ ।**

৮। যদি সমিতিৰ হকে নাম দিয়া কোনো ব্যক্তি বা পদাধিকাৰীৰ বিৰুদ্ধে নিৰ্ণয় প্ৰাপ্ত হয়, তেতিয়া তেনে নিৰ্ণয় এনে ব্যক্তি বা পদাধিকাৰীৰ স্থাবৰ বা অস্থাবৰ সম্পত্তিৰ বিৰুদ্ধে বা ব্যক্তিগত ৰূপত বলবৎ কৰা নহব, কিন্তু তেনে সমিতিৰ সম্পত্তিৰ বিৰুদ্ধে বলবৎ কৰা হব ।

ডিক্ৰীজাৰি আবেদনত নিৰ্ণয় আৰু সেই পক্ষক, যাৰ বিৰুদ্ধে ইয়াক প্ৰাপ্ত কৰা হৈছে , কেবল সমিতিৰ হকে, ক্ষেত্ৰবিশেষে, বাদ তৰা বা ইয়াৰ বিৰুদ্ধে বাদ তৰাৰ তথ্য বৰ্ণিত হব আৰু এইটো অপেক্ষিত কৰা হব যে নিৰ্ণয়টো সমিতিৰ সম্পত্তিৰ বিৰুদ্ধে বলবৎ কৰায় ।

**উপবিধিৰ অধীনত প্ৰোদ্ভূত দণ্ড আদায় ।**

৯। সমিতিৰ নিয়মাবলী আৰু বিনিয়মাবলী অনুসৰি যেতিয়াই যথাযথ ভাবে প্ৰণয়ন কৰা উপবিধিৰ দ্বাৰা, বা যদিহে নিয়মাবলীত উপবিধি প্ৰণয়ন কৰাৰ উপবন্ধ কৰা নাই, এই উদ্দেশ্যে আহবান কৰা সমিতিৰ সদস্যবৰ্গৰ এখন সভাত প্ৰণয়ন কৰা কোনো উপবিধিৰ দ্বাৰা (যাৰ প্ৰণয়নৰ বাবে তেনে সভাত উপস্থিত থকা সদস্যৰ তিনি-পঞ্চমাংশ সদস্যৰ সমবৰ্ত্তী ভোট দানৰ প্ৰয়োজন হব), সমিতিৰ কোনো নিয়ম বা উপবিধি ভঙ্গ কৰাৰ বাবে কোনো অৰ্থ দণ্ড আৰোপ কৰা হয় তেতিয়া এনে অৰ্থ দণ্ড প্ৰোদ্ভূত হলে ইয়াৰ প্ৰশাসন নিকায়ে বিধেয় বুলি গণ্য কৰা মতে বিবাদীয়ে বসবাস কৰা বা সমিতি অৱস্থিত স্থানত অধিকাৰিতা থকা যিকোনো ন্যায়ালয়ত এনে অৰ্থ দণ্ড আদায় কৰিব পাৰিব ।

**সদস্য সকল অন্য ব্যক্তিৰ দৰে বিচাৰিত হোৱাৰ বাবে দায়ী হব ।**

১০। যদি কোনো সদস্যই সমিতিৰ নিয়ম মতে আদায় দিবলৈ বাধ্য থকা বৰঙণি আদায় নিদি বাকী ৰাখে, বা যদি সমিতিৰ কোনো সম্পত্তি নিজে দখল কৰি থাকে বা সমিতিৰ নিয়মাবলীৰ বিপৰীতে কোনো ধৰণে বা কোনো সময়ৰ বাবে নিৰোধ কৰি থয়, সমিতিৰ কোনো সম্পত্তি নষ্ট বা ধ্বংস কৰে, তেনে বকেয়াৰ বাবে বা তেনে সম্পত্তি নিৰোধ কৰা, ক্ষতি কৰা বা ধ্বংস কৰাৰ পৰা প্ৰোদ্ভূত হোৱা ক্ষতিৰ বাবে ইয়াৰ পূৰ্বে উপবন্ধিত ৰীতিৰে বাদ তৰিব পাৰিব ।

**সফল বিবাদীৰ দ্বাৰা অধিনিৰ্ণীত খৰচা আদায় ।**

কিন্তু যদি বিবাদীয়ে সমিতিৰ নিৰ্দেশত তেওঁৰ বিৰুদ্ধে অনা কোনো বাদত বা তেনে অন্য কোনো কাৰ্য্যবাহীত জয়লাভ কৰে, তেওঁৰ হকে খৰচা আদায়ৰ অধিনিৰ্ণয় দিয়া হয়, তেতিয়া তেওঁ সেই পদাধিকাৰীৰ পৰা, যাৰ নামত বাদ তৰা হৈছিল, বা সমিতিৰ পৰা ইয়াক আদায় কৰিবলৈ নিৰ্বাচিত কৰিব পাৰিব আৰু পৰবৰ্ত্তী ক্ষেত্ৰত ওপৰত বৰ্ণিত ৰীতিৰে উক্ত সমিতিৰ সম্পত্তিৰ বিৰুদ্ধে আদেশিকা লাভ কৰিব পাৰিব ।

**অপৰাধত দোষী সদস্য অন্য ব্যক্তিৰ দৰে দণ্ডনীয় হব ।**

১১। সমিতিৰ কোনো সদস্য যি সেই সমিতিৰ কোনো অৰ্থ বা আন সম্পত্তি, চুৰি বা অপহৰণ বা আত্মসাৎ কৰে বা কোনো সম্পত্তি ইচ্ছাকৃতভাবে বা বিদ্বেষপূৰ্ণভাবে নষ্ট কৰে বা ক্ষতি কৰে বা কোনো দস্তাবেজ, বন্ধপত্ৰ বা ধনৰ বাবে প্ৰতিভূতি, ৰচিদ বা অন্য কোনো লেখ্য জাল কৰে, যাৰ দ্বাৰা সমিতিৰ নিধি সমূহৰ ক্ষতি সাধন হব পাৰে, একে ধৰণেৰে

অভিযোজনীয় হব আৰু যদি দোষী সাব্যস্ত হয়, একে ধৰণে দণ্ডনীয় হব যিদৰে সদস্য নোহোৱা কোনো এজন ব্যক্তি এনে ধৰণৰ অপৰাধৰ সম্পৰ্কত অভিযোজনীয় আৰু দণ্ডনীয় হয়।

**সমিতি সমূহক নিজৰ উদ্দেশ্য সমূহ পৰিবৰ্তন, বিস্তাৰণ বা সংকোচন কৰিবলৈ সমৰ্থ কৰা।**

১২। কোনো বিশেষ উদ্দেশ্য বা উদ্দেশ্য সমূহৰ বাবে স্থাপিত এই অধিনিয়মৰ অধীনত পঞ্জীভুক্ত কোনো সমিতিৰ প্ৰশাসন নিকায়ৰ যেতিয়াই প্ৰতীত হয় যে এই অধিনিয়মৰ অৰ্থৰ ভিতৰত এনে উদ্দেশ্যাৰ বা অন্য কোনো উদ্দেশ্য সমূহত ইয়াৰ পৰিবৰ্তন, বিস্তাৰণ বা সংকোচন কৰাটো বা তেনে সমিতি বা অন্য কোনো সমিতিৰ সৈতে সম্পূৰ্ণ বা আংশিক ভাবে সংযোজন কৰা উচিত, তেতিয়া তেনে প্ৰশাসন নিকায়ে এখন লিখিত বা মুদ্ৰিত কৰা প্ৰতিবেদনেৰে প্ৰস্তাবটো সদস্য সকলক দাখিল কৰিব আৰু সমিতিৰ বিনিয়মাবলী অনুসৰি ইয়াৰ ওপৰত বিবেচনা কৰিবলৈ এখন বিশেষ সভা আহ্বান কৰিব পাৰিব ;

কিন্তু তেনে কোনো প্ৰস্তাৱ কাৰ্য্যকৰী কৰা নহব যদিহে ইয়াৰ ওপৰত বিবেচনা কৰিবলৈ প্ৰশাসন নিকায়ৰ দ্বাৰা আহ্বান কৰা বিশেষ সভাৰ দহ দিন পূৰ্বে সমিতিৰ প্ৰত্যেক সদস্যক তেনে প্ৰতিবেদন প্ৰদান কৰা নহয় বা ডাকযোগে প্ৰেৰণ কৰা নহয় নাইবা যদিহে তেনে প্ৰস্তাব তিনি পঞ্চমাংশ সদস্যই স্বয়ং বা প্ৰতিনিধিৰ মাধ্যমেৰে ভোট দান কৰি সন্মতি জ্ঞাপন নকৰে আৰু পূৰ্ববৰ্ত্তী সভাৰ পিচত এমাহৰ বিৰতিত প্ৰশাসন নিকায়ৰ দ্বাৰা আহ্বান কৰা আৰু এখন দ্বিতীয় বিশেষ সভাত উপস্থিত থকা তিনি পঞ্চমাংশ সদস্যৰ ভোট দানৰ দ্বাৰা দৃঢ় কৰা নহয়।

**সমিতি ভঙ্গ কৰিবৰ বাবে আৰু ইয়াৰ কাম-কাজৰ সমাযোজনৰ উপবন্ধ।**

১৩। কোনো সমিতিৰ অন্যূন তিনি পঞ্চমাংশ সদস্যই অৱধাৰিত কৰিব পাৰিব যে ইয়াক ভঙ্গ কৰিব লাগে আৰু তেতিয়া ইয়াক শীঘ্ৰে বা তৎকালেই সন্মত সময়ত ভঙ্গ কৰা হব আৰু তেতিয়া সমিতিৰ সম্পত্তি, ইয়াৰ দাবী বা দেয়তা সমূহৰ নিষ্পত্তি আৰু বন্দোবস্তৰ বাবে ইয়াত প্ৰযোজ্য হোৱা উক্ত সমিতিৰ নিয়মাবলী অনুসৰি যদি কিবা থাকে, আৰু যদি একো নাথাকে তেতিয়া যেনেদৰে প্ৰশাসন নিকায়ে বিধেয় বুলি ভাবে সেই অনুসাৰে সকলো ব্যৱস্থা গ্ৰহণ কৰা হব, পৰন্তু উক্ত প্ৰশাসন নিকায়ৰ বা সমিতিৰ সদস্য বৰ্গৰ মাজত কোনো বিবাদ উদ্ভব হোৱাৰ ক্ষেত্ৰত ইয়াৰ কাম-কাজৰ সমাযোজন যি জিলাত সমিতিৰ প্ৰধান কাৰ্য্যালয় অৱস্থিত সেই জিলাৰ মূল চিভিল অধিকাৰিতা থকা মুখ্য ন্যায়ালয়লৈ নিৰ্দ্দিষ্ট কৰা হব ; আৰু ন্যায়ালয়ে সেই বিষয়ত প্ৰয়োজন গণ্য কৰা হিচাবে তেনে আদেশ দিব ঃ

**সন্মতিৰ আৱশ্যক।**

পৰন্তু কোনো সমিতি ভঙ্গ কৰা নহব যদিহে সদস্য সকলৰ তিনি পঞ্চমাংশ সদস্যই তেনেকৈ ভাঙি দিবৰ বাবে ইচ্ছা স্বয়ং বা প্ৰতিনিধিৰ মাধ্যমেৰে ভোট দান কৰি সেই অৰ্থে আহ্বান কৰা কোনো সাধাৰণ সভাত অভিব্যক্ত নকৰে ঃ

**চৰকাৰৰ সন্মতি।**

পৰন্তু [৭] [ যেতিয়াই কোনো চৰকাৰ ] এই অধিনিয়মৰ অধীনত পঞ্জীভুক্ত কোনো সমিতিৰ এজন সদস্য হয় বা বৰঙণি দাতা হয় বা ইয়াত অন্যথা স্বাৰ্থ জড়িত হয় তেতিয়া এনে সমিতিৰ [৮] [ পঞ্জীয়ন কৰা ৰাজ্য চৰকাৰৰ বিনা সন্মতিত ] ভঙ্গ কৰা নহব।

---

৭। বিধি অনুকূলন আদেশ, ১৯৩৭ ৰ দ্বাৰা "যেতিয়াই চৰকাৰ"ৰ বাবে প্ৰতিষ্ঠাপিত।

৮। বিধি অনুকূলন আদেশ, ১৯৩৭ ৰ দ্বাৰা " চৰকাৰৰ সন্মতি বিনা"ৰ বাবে প্ৰতিষ্ঠাপিত।

**ভঙ্গ হলে কোনো সদস্যাই লাভ নাপাব ।** ১৪। এই অধিনিয়মৰ অধীনত পঞ্জীভুক্ত কোনো সমিতি ভাঙি দিলে ইয়াৰ সকলো ঋণ আৰু দেয়তাসমূহ আদায় দিয়াৰ পিচত সমিতিৰ যিমানেই সম্পত্তি বাকী নাথাকক তাক উক্ত সমিতিৰ সদস্যবৰ্গৰ মাজত বা তেওঁলোকৰ কোনো এজনক আদায় দিয়া বা বিতৰণ কৰা নহব, কিন্তু এনে কোনো অন্য সমিতিক দিয়া হব যি ভঙ্গ কৰাৰ সময়ত স্বয়ং বা প্ৰতিনিধিৰ মাধ্যমেৰে উপস্থিত সদস্যৰ অন্যূন তিনি পঞ্চমাংশৰ ভোট দানৰ দ্বাৰা বা ইয়াৰ অভাৱত পূৰ্বোক্ত এনে ন্যায়ালয়ৰ দ্বাৰা অৱধাৰিত কৰা হব ঃ

**খণ্ডটো যৌথ সম্ভাৰ কোম্পানীত প্ৰয়োগ নহব ।** পৰন্তু, তথাপি এই খণ্ড কোনো যৌথ সম্ভাৰ কোম্পানীৰ ৰূপত অংশীদাৰ সকলৰ বৰঙণিৰ দ্বাৰা প্ৰতিষ্ঠাপিত বা স্থাপিত কোনো সমিতিত প্ৰয়োগ নহব ।

**সদস্যৰ পৰিভাষা ।** ১৫। এই অধিনিয়মৰ উদ্দেশ্যবোৰৰ বাবে এই সমিতিৰ সদস্য এনে এজন ব্যক্তি হব যি ইয়াৰ নিয়মাৱলী আৰু বিনিয়মাবলী অনুসৰি ইয়াত ভৰ্তি কৰাৰ পিচত বৰঙণি দি আছে বা যি ইয়াৰ সদস্য সকলৰ বহীত বা তালিকাত স্বাক্ষৰ কৰিছে, আৰু তেনে নিয়মাবলী আৰু বিনিয়মাবলী অনুসৰি পদত্যাগ কৰা নাই ; **অনৰ্হ সদস্য** — কিন্তু এই অধিনিয়মৰ অধীনৰ সকলো কাৰ্য্যবাহীত কোনো ব্যক্তি, যাৰ বৰঙণি সেই সময়ত তিনি মাহৰ অধিক কালৰ বাবে বকেয়া আছে, সদস্য হিচাবে ভোট দান কৰিবলৈ বা পৰিগণিত হবলৈ হকদাৰ নহব ।

**প্ৰশাসন নিকায়ৰ পৰিভাষা ।** ১৬। প্ৰশাসক, পৰিষদ, নিৰ্দেশক, কমিটি, ন্যাসী বা অন্য কোনো নিকায় যাক সমিতিৰ নিয়মাবলী আৰু বিনিয়মাবলীৰ দ্বাৰা ইয়াৰ কাম-কাজৰ পৰিচালনাৰ ভাৰ ন্যস্ত কৰা হৈছে, সমিতিৰ প্ৰশাসন নিকায় হব ।

**এই অধিনিয়মৰ পূৰ্বে গঠিত হোৱা সমিতিৰ পঞ্জীয়ন ।** ১৭। সাহিত্যিক, বিজ্ঞান বিষয়ক বা দাতব্য উদ্দেশ্যে স্থাপিত আৰু [১] ১৮৫০ চনৰ অধিনিয়ম, ৪৩ৰ অধীনত পঞ্জীভুক্ত কোনো কোম্পানী বা সমিতি বা এই অধিনিয়ম পাৰিত হোৱাৰ পূৰ্বে স্থাপিত বা গঠিত কিন্তু উক্ত [১] ১৮৫০ চনৰ অধিনিয়ম, ৪৩ৰ অধীনত পঞ্জীভুক্ত নোহোৱা এনে কোনো সমিতি ইয়াৰ পিচত যিকোনো সময়তে এই অধিনিয়মৰ অধীনত সমিতি হিচাবে পঞ্জীভুক্ত কৰিব পাৰিব ; **সন্মতিৰ আৱশ্যক** --- পৰন্তুক সাপেক্ষে যে তেনে কোনো কোম্পানী বা সমিতি এই অধিনিয়মৰ অধীনত পঞ্জীভুক্ত কৰা নহব যদিহে ইয়াক তেনেদৰে পঞ্জীয়ন কৰিবৰ কাৰণে অনুমতি, প্ৰশাসন নিকায়ৰ দ্বাৰা সেই প্ৰয়োজনাৰ্থে আহ্বান কৰা কোনো সাধাৰণ সভাত স্বয়ং বা প্ৰতিনিধিৰ মাধ্যমেৰে উপস্থিত সদস্যৰ তিনি পঞ্চমাংশৰ দ্বাৰা দিয়া নহয় ।

[১] ১৮৫০ চনৰ অধিনিয়ম ৪৩ৰ অধীনত পঞ্জীভুক্ত কোম্পানী বা সমিতিৰ ক্ষেত্ৰত নিৰ্দেশক সকল এনে প্ৰশাসন নিকায় বুলি গণ্য হব ।

---

১। ভাৰতীয় কোম্পানী অধিনিয়ম, ১৮৬৬ (১৮৬৬ ৰ ১০ ) ৰ ধাৰা ২১৯ আৰু অনুসূচী ৩ৰ দ্বাৰা নিৰসিত - বৰ্তমান কোম্পানী অধিনিয়ম, ১৯৫৬, (১৯৫৬ ৰ ১) দ্ৰষ্টব্য ।

এনেদৰে পঞ্জীভুক্ত নোহোৱা কোনো সমিতিৰ ক্ষেত্ৰত যদিহে সমিতি স্থাপিত হোৱাৰ পিছত তেনে কোনো নিকায় গঠন কৰা নহয় তেতিয়া ইয়াৰ সদস্য সকলৰ বিহিত জাননী ক্ৰমে ইয়াৰ নিজৰ বাবে তেতিয়াৰ পৰা সমিতিৰ কাম কৰিবলৈ এখন প্ৰশাসন নিকায় গঠন কৰিবলৈ ক্ষমতা থাকিব।

**তেনে সমিতি সমূহে স্মাৰক পত্ৰ আদি যৌথ সম্ভাৰ কোম্পানীৰ পঞ্জীয়কৰ ওচৰত দাখিল কৰিব।**

১৮। সৰ্বশেষ পূৰ্ববৰ্ত্তী ধাৰাত উল্লিখিত তেনে কোনো সমিতিয়ে এই অধিনিয়মৰ অধীনত পঞ্জীয়ন লাভ কৰিবলৈ হলে ধাৰা ২ত উপবন্ধিত হিচাবে সমিতিৰ নিয়মাবলী আৰু বিনিয়মাবলীৰ প্ৰমাণিত এটি প্ৰতিলিপি আৰু পঞ্জীয়ন কৰিবলৈ সিদ্ধান্ত গ্ৰহণ কৰা সাধাৰণ সভাৰ কাৰ্য্যবাহীৰ প্ৰতিবেদনৰ এটি প্ৰতিলিপিসহ প্ৰশাসন নিকায়ে সমিতিৰ নাম, সমিতিৰ উদ্দেশ্য সমূহ আৰু প্ৰশাসন নিকায়ৰ নাম, ঠিকনা আৰু পেশা প্ৰদৰ্শন কৰি এখন স্মাৰক পত্ৰ [১০] x x x x যৌথ সম্ভাৰ কোম্পানীৰ পঞ্জীয়কক দাখিল কৰাটোৱেই যথেষ্ট হব।

**দস্তাবেজ নিৰীক্ষণ।**

১৯। যিকোনো ব্যক্তিয়ে এই অধিনিয়মৰ অধীনত পঞ্জীয়কক দাখিল কৰা সকলোবোৰ দস্তাবেজ প্ৰতিবাৰ নিৰীক্ষণৰ বাবে এটকাকৈ মাচুল আদায় দি নিৰীক্ষণ কৰিব পাৰিব ; আৰু যিকোনো ব্যক্তিয়ে কোনো দস্তাবেজ বা কোনো দস্তাবেজৰ কোনো অংশৰ প্ৰতিলিপি বা উদ্ধৃতিৰ পঞ্জীয়কৰ দ্বাৰা প্ৰমাণিত কৰা বা দস্তাবেজৰ এনে প্ৰতিলিপি বা উদ্ধৃতিৰ প্ৰতি এশ শব্দৰ বাবে দু-অনা আদায় দি লব পাৰিব ; **প্ৰমাণিত প্ৰতিলিপি** — আৰু তেনে প্ৰমাণিত প্ৰতিলিপি সকলো ন্যায়িক কাৰ্য্যবাহীতে, ইয়াত অন্তৰ্বিষ্ট বিষয়ৰ প্ৰথম দৃষ্টিত সাক্ষ্য হব।

**অধিনিয়ম কোন সমিতি সমূহত প্ৰযোজ্য হব।**

২০। এই অধিনিয়মৰ অধীনত নিম্নোক্ত সমিতিসমূহ পঞ্জীভূক্ত হব পাৰে ঃ- দাতব্য সমিতিসমূহ, ভাৰতৰ বিভিন্ন প্ৰেসিডেঞ্চিত প্ৰতিষ্ঠিত সৈনিক অনাথ নিধি বা সমিতি সমূহ, বিজ্ঞান, সাহিত্য, বা সুকুমাৰ কলাৰ উৎকৰ্ষৰ বাবে শিক্ষা, উপযোগী জ্ঞানৰ প্ৰসাৰ [১১] (ৰাজনৈতিক শিক্ষাৰ প্ৰসাৰ), সদস্য সকলৰ মাজত সাধাৰণ ব্যৱহাৰৰ বাবে বা জনসাধাৰণৰ বাবে মুকলি পুথিভৰাল বা পঢ়া কোঠাৰ প্ৰতিষ্ঠাপন বা ৰক্ষণা-বেক্ষণ আৰু চিত্ৰাঙ্কন আৰু অন্যান্য কলা কৃষ্টিৰ লোক সংগ্ৰহালয় আৰু বীথিকা, প্ৰাকৃতিক ইতিহাসৰ সংকলন, যান্ত্ৰিক আৰু দাৰ্শনিক আবিষ্কাৰ, সা-সজুলি বা ৰূপাঙ্কণৰ বাবে প্ৰতিষ্ঠিত সমিতি সমূহ।

---

১০। "১৮৫৭ চনৰ অধিনিয়ম ১৯, ৰ অধীনত" এই শব্দাবলী আৰু সংখ্যাবোৰ ১৮৭৪ৰ অধিনিয়ম ১৬ৰ ধাৰা ১ আৰু অনুসূচী খণ্ড ১ৰ দ্বাৰা নিৰসিত - বৰ্ত্তমান ১৯৫৬ চনৰ কোম্পানী অধিনিয়ম, ১৯৫৬ (১৯৫৬ ৰ ১) দ্ৰষ্টব্য।

১১। ১৯২৭ চনৰ অধিনিয়ম সংখ্যা ২২ৰ ধাৰা ২ৰ দ্বাৰা অন্তঃস্থাপিত।

# সমিতি পঞ্জীয়ন অধিনিয়ম, ১৮৬০

# THE SOCIETIES REGISTRATION ACT, 1860

## পৰিভাষা
## Glossary of Terms

| Sl. No. | Reference | English Terms | Assamese Equivalent |
|---|---|---|---|
| 1 | Preamble | Charitable purpose | দাতব্য উদ্দেশ্য |
| 2 | Sec. 1 | Memorandum of Association | সংঘৰ স্মাৰক পত্ৰ |
| 3 | Sec. 2 | Governing body | প্ৰশাসন নিকায় |
| 4 | Sec. 3 | Certified copy | প্ৰমাণিত প্ৰতিলিপি |
| 5 | Sec. 4 | Managing body | পৰিচালনা নিকায় |
| 6 | Sec. 5 | Movable or immovable | স্থাবৰ বা অস্থাবৰ |
| 7 | Sec. 5 | Trustee | ন্যাসী |
| 8 | Sec. 7 | Abate | উপশমন |
| 9 | Sec. 9 | Pecuniary penalty | অৰ্থ দণ্ড |
| 10 | Sec. 11 | Steal or Embezzle | অপহৰণ বা আত্মসাৎ |
| 11 | Sec. 14 | Joint stock company | যৌথ সম্ভাৰ কোম্পানী |
| 12 | Sec. 15 | Disqualified Member | অনৰ্হ সদস্য |
| 13 | Sec. 20 | Fine Arts | সুকুমাৰ কলা |
| 14 | Sec. 20 | Useful knowledge | উপযোগী জ্ঞান |